# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 28-06-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::**

অম্বুবাচী মহাযোগৰ নিবৃত্তিৰ পাছত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সপৰিয়ালৰ সৈতে কামাখ্যা মন্দিৰ দৰ্শন কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইবছৰ অম্বুবাচী মহাযোগ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে পৰ্যটন বিভাগ, মন্দিৰ পৰিচালনা সমিতিৰ লগতে পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসকো ধন্যবাদ জনায়। মন্দিৰ পৰিদৰ্শনৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে সোণাৰাম খেলপথাৰৰ পৰা কামাখ্যালৈ ৰ'পৱে নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। কামাখ্যা ষ্টেচনৰ পৰা কামাখ্যা ধামলৈ নিৰ্মীয়মান ৰ'পৱেৰ কাম পূৰ্ণ গতিত চলি আছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

ৰাজ্য চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ২০২৫-২৬ নতুন শিক্ষাবৰ্ষত সকলো বিদ্যালয়ৰ বাবে প্ৰযোজ্য হোৱাকৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি প্ৰতিগৰাকী  শিক্ষকে পুৱা ৯ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব। শিক্ষকসকলে শৈক্ষিক দিনপঞ্জীত নিৰ্ধাৰণ কৰা সময় অনুসৰিহে বিদ্যালয় এৰিব পাৰিব। বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষাসেঁতু এপত অন্তৰ্ভুক্ত কৰিব লাগিব। প্ৰতিগৰাকী শিক্ষাৰ্থীৰ উপস্থিতিৰ তথ্য লোৱাৰ বাবে শ্ৰেণী শিক্ষক দায়বদ্ধ হ'ব। তদুপৰি  সকলো স্নাতকোত্তৰ শিক্ষকে হাইস্কুল পৰ্যায়তো শিক্ষাদান কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। একেদৰে বিদ্যালয়ৰ অন্যান্য কৰ্মচাৰীসকলেও দিনৰ ১০ বজাৰ পূৰ্বে বিদ্যালয়ত উপস্থিত হ'ব লাগিব আৰু বিয়লি চাৰে ৪ বজালৈ বিদ্যালয়ত থাকিব লাগিব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

০০০০

মৰিগাওঁ জিলাৰ লাহৰিঘাটৰ বৰালীমাৰিত প্ৰায় ৫০০ টা পৰিয়ালে ব্ৰহ্মপুত্ৰ নদৰ ভয়াবহ খহনীয়াৰ কবলত পৰিছে। খহনীয়াত পৰি প্ৰায়কেইটা পৰিয়ালে বাসগৃহ হেৰুৱাবলগীয়া হৈছে। অঞ্চলটোত থকা এটা মছজিদ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ অৱস্থাত আজি স্থানীয় লোকে মচজিদটোত শেষ নামাজ আদা কৰে। গাওঁবাসীয়ে অঞ্চলটোৰ খহনীয়া ৰোধৰ বাবে চৰকাৰক আহ্বান জনোৱাৰ লগতে সাহায্যৰ বাবে অনুৰোধ জনাইছে।

০০০০

জলসম্পদ তথা জনসংযোগ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই জাগীৰোডৰ পৰিদৰ্শন ভৱনত  মৰিগাঁও জিলাৰ আয়ুক্ত, জাগীৰোড সমজিলা আয়ুক্ত তথা অন্যান্য বিষয়াসকলৰ সৈতে  আজি এখন বৈঠকত অংশগ্ৰহণ কৰে। জাগীৰোডৰ উন্নয়ন সন্দৰ্ভত বিভিন্ন দিশৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়। মৰিগাঁও জিলাখনৰ লগতে জাগীৰোড সমষ্টিৰ বিভিন্ন উন্নয়নমূলক কাম আৰু চৰকাৰী জনকল্যাণমূলক আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভতো সভাত আলোচনা কৰা হয়।

০০০০

বিটিচিৰ নিৰ্বাচনৰ দিন এতিয়ালৈ ঘোষণা হোৱা নাই যদিও বিভিন্ন ৰাজনৈতিক দলে প্ৰাকনিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিছে। বিজেপি দলৰ হৈ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে বাক্সা জিলাৰ মানাহ্ বিধানসভা সমষ্টিৰ অন্তৰ্গত শালবাৰীত উপস্থিত হৈ বিটিচিত প্ৰাক নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীদাসে বাক্সা জিলাৰ পাঁচোটা সমষ্টিতে বিজেপিয়ে পৰিষদীয় নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰিব বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। কাৰ্যকৰ্তাসকলে যাতে সঠিকভাৱে নিৰ্বাচনৰ সৈতে নিজকে নিয়োজিত কৰিব পাৰে সেই বিষয়েও চকু দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০

দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ত বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অভিজ্ঞতাৰ ভিত্তিত সংকলিত হোৱা ইমাৰজেন্সি ডায়েৰীছ্ নামৰ এখন গ্ৰন্থ গুৱাহাটীৰ বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি আনুষ্ঠানিকভাৱে উন্মোচন কৰে। ব্লু ক্ৰাফ্‌ট ফাউণ্ডেচনে সংকলন কৰা কিতাপখনৰ আগকথা প্ৰধানমন্ত্ৰী মোদীয়ে লিখাৰ লগতে ভূতপূৰ্ব প্ৰধানমন্ত্ৰী এইচ ডি দেৱগৌৰাই লিখা পাতনি সন্নিবিষ্ট হৈছে। গ্ৰন্থখন উন্মোচন কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে দেশৰ জৰুৰীকালীন অৱস্থাত বৰ্তমানৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে গণতান্ত্ৰিক প্ৰমূল্যবোধ ৰক্ষা কৰাৰ বাবে যি ভূমিকা গ্ৰহণ কৰিছিল সেয়া এই গ্ৰন্থখনৰ জৰিয়তে আজিৰ প্ৰজন্মই জানিব পাৰিব। একেটা অনুষ্ঠানতে ভাগ লৈ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ সমাজ অধ্যয়ন বিষয়ত **ভাৰতীয় গণতন্ত্ৰ** শীৰ্ষক এটা অধ্যায় সন্নিবিষ্ট কৰি অধ্যায়টোত দেশৰ জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাও অন্তৰ্ভুক্ত কৰা হ'ব বুলি ঘোষণা কৰে।

০০০০

কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ সোঁৱৰণত আজি আকাশবাণী গুৱাহাটীৰ ৰিক্ৰিয়েচন ক্লাবৰ উদ্যোগত আৰু ইনলি ফাউণ্ডেচনৰ সহযোগত **সুৰৰে দেউলৰে** শীৰ্ষক এটি সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উদ্দেশ্যে আজি পুৱা চানমাৰিৰ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদত থকা ৰিক্ৰিয়েচন ক্লাবত অমৰেন্দ্ৰ শৰ্মা, দিপক কুমাৰ দাস আৰু ছাদিক আনাম ৰহমানৰ তত্বাৱধানত প্ৰথমৰ পৰা পঞ্চম আৰু ষষ্ঠৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মাজত দুটি শাখাত বিষ্ণু প্ৰসাদ ৰাভাদেৱৰ সৈতে সংগতি থকা ছবি অংকনৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ৬ বজাত চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত হ'বলগীয়া **সুৰৰে দেউলৰে** শীৰ্ষক অনুষ্ঠানটিত বিশিষ্ট সংগীত শিল্পী লোকনাথ গোস্বামীয়ে বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱন আৰু সষ্টিৰাজী সন্দৰ্ভত আলোকপাত কৰিব। চাৰে ছয় বজাত **সৃষ্টিৰ ৰণুৱা ঘোঁৰা ঃ বিষ্ণু প্ৰসাদ ৰাভা** শীৰ্ষক এখনি আলেখ পৰিৱেশন কৰা হ'ব। ৰবিন চন্দ্ৰ বড়োৰ সামগ্ৰিক পৰিকল্পনা, নয়ন প্ৰসাদৰ ব্যৱস্থাপনাত হ'বলগীয়া গীত, নৃত্য, কবিতাৰ এই অন্তৰংগ সাংস্কৃতিক অনুষ্ঠানলৈ ইনলি ফাউণ্ডেচনৰ সাধাৰণ সম্পাদক ইন্দ্ৰজিত দাসে সকলোকে আমন্ত্ৰণ জনাইছে।

০০০০

সমাপ্ত